স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

(ডিব্ৰুগড় সংস্কৰণ/DIBRUGA

VOL-13 □ NO-306 □ THURSDAY 11 JANUARY 2024

### কানৈৰ শিক্ষাৰ্থীক আশাজ্যোতি বৃত্তি প্ৰদানৰ চুক্তি

# কানৈ মহাবিদ্যালয়ৰ স'তে পশ্চিমবংগৰ দুই শিক্ষানুষ্ঠানৰ চুক্তি স্বাক্ষৰ

**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ১০ জানুৱাৰী ঃ** ডি এইচ এছ কানৈ মহাবিদ্যালয়ে দুৰ্গাপুৰস্থিত এন এছ এইচ এম একাডেমী আৰু কলকাতাস্থিত হৰিচৰণ গাৰ্গ চেৰিটেবুল ট্ৰাষ্টৰ মাজত ৫ জানুৱাৰীত পৃথকে পৃথকে দুখন বুজাবুজি চুক্তি সম্পন্ন হয়। এন এছ এইচ এম ন'লেজ কেম্পাছ, কলকাতাত অনুষ্ঠিত অনুষ্ঠানত ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া, অধ্যাপক ড° জ্যোতিপ্ৰসাদ ফুকন, হৰিচৰণ গাৰ্গ চেৰিটেবুল ট্ৰাষ্টৰ সঞ্চালক কৃষেণ্ডু সৰকাৰ, হৰিচৰণ গাৰ্গ চেৰিটেবুল ট্ৰাষ্টৰ মুৰব্বী গৌতম গাংগুলী, এন এছ এইচ এম একাডেমীৰ উপ-মহাপ্ৰবন্ধক অতিন বেনাৰ্জী, সঞ্চালক ড° অলক সৎসংগীৰ উপস্থিতিত স্বাক্ষৰিত এই বুজাবুজি চুক্তি অনুসৰি তিনিটা শিক্ষানুষ্ঠানৰ মাজত শৈক্ষিক দিশকে ধৰি ক্ৰীড়া, প্ৰযুক্তি আৰু সাংস্কৃতিক আদি বিভিন্ন দিশত এক নতুন মাত্ৰা লাভ কৰিব। এই চুক্তি অনুসৰি এন এছ এইচ এম একাডেমীয়ে প্ৰদান কৰা আশাজ্যোতি বৃত্তি কানৈ মহাবিদ্যালয়ৰ পৰামৰ্শ অনুসৰি কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীকো প্ৰদান কৰাৰ ব্যৱস্থা কৰা হ'ব। ইয়াৰ উপৰি এই চুক্তিত বিভিন্ন ধৰণৰ গৱেষণামূলক কাম-কাজকে ধৰি ছাত্ৰ-ছাত্ৰীসকলক সময়ে সময়ে বিভিন্ন ধৰণৰ শৈক্ষিক কাৰ্যসূচীত অংশগ্ৰহণৰ ব্যৱস্থা কৰাৰ লগতে শিক্ষানুষ্ঠানকেইখনৰ চুবুৰীয়া বিভিন্ন সম্প্ৰদায়ৰ মাজত আৰ্থ-সামজিক দিশত সুবিধা হোৱাকৈ বিভিন্ন ধৰণৰ কাৰ্যসূচী গ্ৰহণ কৰা, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধা হোৱাকৈ সময়ে সময়ে প্ৰশিক্ষণ কাৰ্যসূচী গ্ৰহণ কৰা আদি বিষয়ো চুক্তিকেইখনত অন্তৰ্ভুক্ত হৈছে। এই বুজাবুজি চুক্তিৰ জৰিয়তে শিক্ষানুষ্ঠানকেইখনৰ মাজত শৈক্ষিক ক্ষেত্ৰকে ধৰি অন্যান্য বহু দিশত একেলগে কাম কৰি যোৱাত বহুখিনি সুবিধা হ'ব বুলি ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই জানিবলৈ দিছে।

